# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 19-02-2025**
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::::

ৰেখা গুপ্তাক নতুন দিল্লীৰ মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ অৰ্পন কৰা হ'ব। আজি সন্ধিয়া দিল্লী বিজেপিৰ বিধায়িনী দলৰ বৈঠকৰ অন্তত দিল্লীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে ৰেখা গুপ্তাৰ নাম ঘোষণা কৰা হয়। সদ্যসমাপ্ত দিল্লী বিধানসভা নিৰ্বাচনত ৰেখা গুপ্তাই ছালিমাৰবাগ আসনৰ পৰা জয়লাভ কৰিছিল। ১৯৯২ চনত দিল্লী বিশ্ববিদ্যালয়ৰ অধীনত দৌলতৰাম মহাবিদ্যালয়ৰ পৰা এ বি ভি পিৰ জৰিয়তে তেওঁৰ ৰাজনৈতিক যাত্ৰাৰ আৰম্ভ হৈছিল।

০০০০

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে পূৰ্ণোদ্যমে প্ৰস্তুতি চলাইছে। এই কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত আজি গুৱাহাটীত আয়োজিত এখন বৈঠকত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষতা কৰে। বৈঠকত অহা ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী অনুষ্ঠানৰ চূড়ান্ত প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকললৈ কাৰ্যসূচীসমূহ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া, মুখ্য সচিব তথা আৰক্ষী সঞ্চালক প্ৰধান, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা, বিমল বৰাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে।

০০০০

সাংস্কৃতিক পৰিক্ৰমা বিভাগে আজি গুৱাহাটীৰ শিল্পগ্ৰামত আলি আয়ে লৃগাং উদযাপন কৰে। অসমৰ অন্যতম প্ৰধান জনগোষ্ঠী মিচিংসকলে শস্য ৰোপণ কাল আৰম্ভ হোৱাৰ সময়তে ফাগুন মাহৰ প্ৰথমটো বুধবাৰে এই উৎসৱ পালন কৰে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আজিৰ এই উদ্‌যাপনত অংশগ্ৰহণ কৰি কয়, যে চৰকাৰে ৰাজ্যৰ থলুৱা জাতি জনগোষ্ঠীসমূহৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষাৰ হকে কাম কৰিছে। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে ৰাভা, তিৱা, কাৰ্বি, ডিমাচা, চাওতাল ভাষাত ৰাজ্যৰ বিদ্যালয়সমূহত পাঠদান কৰাৰ বাবে শীঘ্ৰে অধিসূচনা জাৰি হ'ব বুলি ঘোষণা কৰে। চৰকাৰে বিগত এবছৰ ধৰি ৰাজ্যৰ জনজাতীয় ভাষাসমূহক মাধ্যম হিচাপে বিদ্যালয়ত প্ৰয়োগ কৰাৰ বাবে প্ৰচেষ্টা চলাই থকা বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ২০২৫-২৬ বৰ্ষৰ পৰা প্ৰযোজ্য হোৱাকৈ ২০০ খন প্ৰাথমিক বিদ্যালয়ত মিছিং ভাষাত পাঠদান কৰাৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এই সন্দৰ্ভত ডাঃ পেগুৱে কয়, যে চৰকাৰে প্ৰাথমিক পৰ্যায়ত প্ৰথমৰ পৰা পঞ্চম

শ্ৰেণীলৈ মিছিং ভাষাক মাধ্যম হিচাপে বিদ্যালয়ত প্ৰয়োগ কৰিব। ইয়াৰ সমান্তৰালকৈ অসমীয়া আৰু ইংৰাজীও বিদ্যালয়সমূহত শিকোৱা হব বুলি উল্লেখ কৰি তেওঁ কয়, যে অন্যান্য ভাষাসমূহত পাঠদানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে।

০০০০

মৰিগাওঁ জিলাৰ জাগীৰোডৰ পশ্চিম জোনবিল গাঁৱৰ বাবুল দেৱনাথ নামৰ এজন লোকক মৰিগাওঁৰ পকচো আদালতে আজি ৮ বছৰৰ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত কৰিছে। দুবছৰ পূৰ্বে নাৱালিকা ধৰ্ষণৰ গোচৰত জাগীৰোড আৰক্ষীয়ে মৰিগাওঁ পকচো আদালতত অভিযোগনামা দাখিল কৰিছিল। এই গোচৰৰ ভিত্তিত মৰিগাওঁ পকচো আদালতে বিচাৰপ্ৰক্ৰিয়া চলাই মৰিগাওঁৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পকচো আদালতৰ বিশেষ ন্যায়াধীশ এন. এ. আহমেদৰ  আদালতে লোকজনক দোষী সাব্যস্ত কৰি ৮ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ১০ হাজাৰ টকাৰ জৰিমণা বিহে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাত আজি জিলা প্ৰশাসন আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত অনুসূচীত জনজাতীয় লোকৰ অধিকাৰ আৰু সুৰক্ষা আইন সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব জয়ন্ত কুমাৰ শইকীয়াই হাজং, কোচ আৰু গাৰো জনজাতীয় লোকসকলৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়।

০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি দেলহী কেপিটেলছ আৰু ইউ পি ৱাৰিয়ৰ্ছ মুখামুখি হৈছে। খেলখন বডোডৰাৰ কোটাম্বি ষ্টেডিয়ামত  সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হয়। ইউ পি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেটৰ বিনিময়ত দেলহী কেপিটেলছৰ সন্মুখত ১৬৭ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

উল্লেখযোগ্য যে মহিলা প্ৰিমিয়াৰ লীগৰ এইবাৰৰ সংস্কৰণত অসমৰ উমা চেত্ৰীয়ে ইউ পি ৱাৰিয়ৰ্ছ আৰু জিণ্টিমণি কলিতাই মুম্বাই ইণ্ডিয়ানছৰ হৈ খেলিছে। যোৱা ১৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা মহিলা প্ৰিমিয়াৰ লীগৰ চূড়ান্ত খেলখন অহা ১৫ মাৰ্চত মুম্বাইৰ ব্ৰবৰ্ণ ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মাণ্ডলিক পৰ্যায়ৰ খেলসমূহ বিভিন্ন জিলাত চলি আছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগত আজি জিলাখনৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত মধ্য অসম মণ্ডলৰ এখন খেলত পশ্চিম কাৰ্বি আংলঙৰ টোম্পেণ ফুটবল ক্লাৱে হোজাইৰ ৰণচিনা ক্লাবক ৬-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। বিয়লি মৰিগাঁও নৱজ্যোতি ক্লাব আৰু নগাঁৱৰ ত্ৰিনয়ন গোষ্ঠীৰ মাজৰ খেলখন গ'লশূন্যভাৱে অমীমাংসিত হৈ ৰয়। মৰিগাঁও নৱজ্যোতি ক্লাব আৰু ত্ৰিনয়ন গোষ্ঠীয়ে লীগ পৰ্যায়ৰ তিনিখন খেলৰ পৰা ৭ পইণ্টকৈ লাভ কৰি মধ্য অসমৰ মাণ্ডলিক ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০